**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :09**-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। পহিলা জানুৱাৰীৰ পৰা ছাত্ৰসকলৰ বাবে মুখ্যমন্ত্ৰীৰ বাবু আঁচনি। ৰাজ্যৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ বাগিচাৰ চাৰি গৰাকী প্ৰাৰ্থীৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা।

২। কামৰূপ জিলাৰ বকোত আজি প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ তিনি লাখৰো অধিক হিতাধিকাৰীক যোজনাৰ অনুমোদন পত্ৰ বিতৰণৰ আনুষ্ঠানিকতা।

৩। চৰকাৰী কামত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰাৰ বাবে ৰাজ্য চৰকাৰৰ কঠোৰ নিৰ্দেশনা।

৪। জনতাৰ শিল্পী জুবিন গাৰ্গলৈ আজি কটন বিশ্ববিদ্যালয়ৰ মৰণোত্তৰভাৱে ডি-লীট সন্মান।

**আৰু**

৫। কটকৰ বাৰাবতী ষ্টেডিয়ামত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল।

০০০০০০

ৰাজ্য চৰকাৰে অহা পহিলা জানুৱাৰীৰ পৰা ছাত্ৰসকলৰ বাবে **মুখ্যমন্ত্ৰীৰ বাবু আঁচনি** আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক ড° বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত স্কুটাৰ বিতৰণ কৰি এই আঁচনিৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে দৰিদ্ৰ আৰু মধ্যবিত্ত ছাত্ৰই এই আঁচনিৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত প্ৰতিমাহে নিৰ্বাচিত ছাত্ৰক জলপানি দিয়া হ'ব।

উল্লেখযোগ্য যে চলিত বৰ্ষত ড° বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত ১১ হাজাৰ ২৫০ গৰাকী শিক্ষাৰ্থীক স্কুটাৰ বিতৰণ কৰা হৈছে। ইয়াৰে ৬ হাজাৰ ৮৬০ গৰাকী ছাত্ৰী আৰু ৪ হাজাৰ ৩৯০ গৰাকী ছাত্ৰ। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে স্কুটাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক যানবাহন চলোৱাৰ নীতি-নিয়ম মানি চলিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত লগতে কয়, যে সময়ৰ দ্ৰুত পৰিৱৰ্তনে অসমকো স্পৰ্শ কৰিছে। ৰাজ্যখনত ২৫ খনকৈ চিকিৎসা মহাবিদ্যালয় হৈছে। ইয়াৰে ১৫ খন কাৰ্যক্ষম হৈ আছে আৰু আন ১০ খন নিৰ্মাণৰ বিভিন্ন পৰ্যায়ত আছে। সেই সূত্ৰেই বৰ্তমান ৰাজ্যত মেডিকেল আসনৰ সংখ্যা দুহেজাৰলৈ বৃদ্ধি হৈছে বুলি মন্তব্য কৰি তেওঁ কয়, যে ২০৩০ চনৰ ভিতৰত ৰাজ্যত এই সংখ্যা ৫ হাজাৰলৈ

বৃদ্ধি পাব বুলি আশা কৰা হৈছে। একেদৰে বৰ্তমান অসমত দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপৰি ২৫ৰ পৰা ২৬ খন বিশ্ববিদ্যালয় কাৰ্যক্ষম হৈ আছে বা নিৰ্মাণৰ বিভিন্ন স্তৰত আছে। প্ৰতিৰক্ষা বাহিনীৰ অন্যতম যুদ্ধবিমান ৰাফেলৰ মেৰামতি বা চোৱাচিতাৰ বাবে ড'ছল্ট ছিষ্টেমছে প্ৰায় ২০০ হাজাৰ কোটি টকা ব্যয়ৰে গুৱাহাটীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান নিৰ্মাণৰ বাবে আগবাঢ়িছে বুলিও তেওঁ কয়।

০০০০০০

ৰাজ্যৰ প্ৰতিখন মেডিকেল কলেজত চাহ বাগিচাৰ চাৰি গৰাকী প্ৰাৰ্থীৰ বাবে আসন সংৰক্ষণ থাকিব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। অসম আৰক্ষী আৰু গৃহ বিভাগত নিযুক্তি লাভ কৰা চাহ জনজাতিৰ ১২০ গৰাকী প্ৰাৰ্থীক কালি নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই সংৰক্ষণ ব্যৱস্থাৰ জৰিয়তে ৰাজ্যৰ চাহ বাগিচাত বছৰি ৫০ গৰাকী চিকিৎসক সৃষ্টি হ'ব। ৰাজ্য চৰকাৰে চাহ জনজাতি আৰু আদিবাসী সমাজৰ কল্যাণৰ বাবে নিষ্ঠাৰে কাম কৰি অহা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে বৰ্তমান চৰকাৰে প্ৰতিটো বিভাগৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ চাকৰিত বাগিচাৰ যুৱক-যুৱতীসকলৰ বাবে তিনি শতাংশ পদ সংৰক্ষণ ব্যৱস্থা কৰিছে। অসম অসামৰিক সেৱা, অসম আৰক্ষী সেৱা, আভিযান্ত্ৰিক আদি সকলো চাকৰিৰ ক্ষেত্ৰত তিনি শতাংশ পদত বাগিচাৰ যুৱক-যুৱতীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ কয়। চৰকাৰৰ এনে সিদ্ধান্তৰ ফলত প্ৰশাসন ব্যৱস্থাত বাগিচাৰ যুৱক-যুৱতীৰ প্ৰতিনিধিত্ব বৃদ্ধি পাব বুলিও তেওঁ উল্লেখ কৰে। বাগিচাসমূহত শিক্ষাৰ বিকাশৰ বাবে উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যৰ চাহ বাগিচাসমূহৰ জনসাধাৰণৰ উন্নয়নৰ হকে চৰকাৰে গ্ৰহণ কৰা কামৰ খতিয়ানো দাঙি ধৰে।

***(বাইট ঃ ড০ শৰ্মা)***

০০০০০০

কামৰূপ জিলাৰ বকোৰ গান্ধী ময়দান সমন্বয় ক্ষেত্ৰত আজি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অন্তৰ্গত ২০২৫-২৬ বৰ্ষৰ বাবে তিনি লাখৰো অধিক হিতাধিকাৰীসকললৈ যোজনাৰ অনুমোদন পত্ৰৰ ৰাজ্যিক পৰ্যায়ৰ কেন্দ্ৰীয় আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ উদ্বোধন কৰিব। এই সন্দৰ্ভত এয়া আমাৰ কামৰূপ জিলাৰ সংবাদদাতা কৌশিক দাস –

বাইট

প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত যোৰহাট জিলাৰ চাৰিওটা বিধানসভা সমষ্টিতে আজি আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। যোৰহাট বিধানসভা সমষ্টিৰ বাবে এই অনুষ্ঠান যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত অনুষ্ঠিত হ'ব। জিলাখনৰ তিতাবৰ মৰিয়নি আৰু টীয়ক বিধানসভা সমষ্টিতো এই উপলক্ষে বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰে চৰকাৰী কামত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰাৰ বাবে পুনৰ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইন সঠিকভাৱে ৰূপায়ণ কৰিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে অসমীয়াক চৰকাৰী ভাষা হিচাপে ব্যৱহাৰৰ সন্দৰ্ভত অধিসূচনা জাৰি তথা ঐতিহ্যপূৰ্ণ নথিসমূহ অসমীয়ালৈ অনুবাদ সন্দৰ্ভত পূৰ্বে দিয়া নিৰ্দেশ সম্পূৰ্ণৰূপে কাৰ্যকৰী নোহোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক বিভাগে

যোৱা ৬ ডিচেম্বৰত প্ৰতিটো প্ৰশাসনিক বিভাগৰ জ্যেষ্ঠ সচিবগৰাকীক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ জাৰি কৰে। উল্লেখযোগ্য যে অসম চৰকাৰী ভাষা আইন, ১৯৬০-ৰ সঠিক ৰূপায়ণ আৰু ৰাজ্যৰ অন্যান্য অঞ্চলত অসমীয়াক চৰকাৰী ভাষা হিচাপে তথা বৰাক উপত্যকা তথা ষষ্ঠ অনুসূচীভুক্ত অঞ্চলত অসমীয়াৰ লগতে স্থানীয় ভাষাৰ ব্যৱহাৰৰ বাবে যোৱা ১৪ এপ্ৰিলত এখন অধিসূচনা জাৰি কৰা হৈছিল। এই অধিসূচনাত সকলো চৰকাৰী কামত অসমীয়া ভাষা বাধ্যতামূলকভাৱে ব্যৱহাৰৰ নিৰ্দেশ দিয়া হৈছিল। এই অনুসৰি সকলো চৰকাৰী জাননী, কাৰ্যালয় স্মাৰক, আইন, নিয়মাৱলীকে ধৰি বিভিন্ন নিৰ্দেশনা ইংৰাজীৰ লগতে অসমীয়া ভাষাত জাৰি কৰিবলৈ কোৱা হৈছে। এই নিৰ্দেশ সম্পূৰ্ণৰূপে কাৰ্যকৰী নোহোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক বিভাগে সকলো প্ৰশাসনিক বিভাগলৈ পুনৰ নিৰ্দেশ জাৰি কৰিছে।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গক আজি কটন বিশ্ববিদ্যালয়ে মৰণোত্তৰভাৱে ডি লীট সন্মান প্ৰদান কৰিব। প্ৰয়াত শিল্পীগৰাকীৰ লগতে অধ্যাপক ৰঞ্জিত কুমাৰ দেৱ গোস্বামীকো এই সন্মান প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে অহা ১২ ডিচেম্বৰত এছ আই টিয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত অভিযোগনামা দাখিল কৰিব। প্ৰায় চাৰে তিনি হাজাৰ পৃষ্ঠাৰ এই অভিযোগনামা দাখিলৰ বাবে ১৮ ডিচেম্বৰ শেষ সীমা নিৰ্ধাৰণ কৰা হৈছিল যদিও ছদিন পূৰ্বে অসম আৰক্ষীয়ে এই কাম সম্পূৰ্ণ কৰিব।

উল্লেখযোগ্য যে প্ৰিয় শিল্পীগৰাকীক কালি বিশ্ববিখ্যাত শিল্পী আমেৰিকান ৰকষ্টাৰ পষ্ট মেলনেও খানাপাৰাত নিজৰ অনুষ্ঠানৰ পূৰ্বে স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰে। অলপতে অসমত সংগীত পৰিৱেশন কৰিবলৈ আহিবলগীয়া বলিউদৰ বিশিষ্ট শিল্পী চনু নিগমে জুবিন গাৰ্গৰ সৈতে থকা সান্নিধ্যৰ কথা সোঁৱৰণ কৰি এইদৰে কয় –

বাইট

০০০০০০

ৰাজ্যজুৰি বিস্তৃত কাৰ্যসূচীৰে কাইলৈ পালন কৰিবলগীয়া ছহিদ দিৱসৰ পূৰ্বে আজি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰত ছহিদৰ স্মৃতিত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিয়লি চাৰি বজাৰ পৰা থাপনা স্থাপন, ভাগৱত পাঠ, ছহিদ প্ৰণাম জ্যোতি প্ৰজ্বলন, দিহা নাম, থিয় নাম আদিৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী অতুল বৰা উপস্থিত থাকিব।

ইপিনে, কাইলৈ বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰৰ লগতে ৰাজ্যজুৰি পালন কৰিবলগীয়া ছহিদ দিৱসৰ প্ৰস্তুতিৰ খতিয়ান ল'বলৈ মন্ত্ৰী অতুল বৰাই জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কালি এখন বৈঠকত মিলিত হয়। এই বৈঠকত মন্ত্ৰী কেশৱ মহন্ত, জয়ন্ত মল্ল বৰুৱা, ৰূপেশ গোৱালা আৰু ৰাজ্যৰ মুখ্য সচিব ডং ৰবী কোটা উপস্থিত থাকে। বৈঠকত প্ৰতিখন জিলা আৰু সমজিলাত এই অনুষ্ঠান সফলভাৱে অনুষ্ঠিত কৰিবলৈ যাৱতীয় নিৰ্দেশনা দিয়া হয়। গুৱাহাটীৰ পশ্চিম বৰাগাওঁত ছহিদ দিৱস উদযাপনৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলা আৰু সম জিলা মুখ্য কাৰ্যালয়সমূহতো সকলো স্তৰৰ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণেৰে ছহিদ দিৱস পালন কৰা হ'ব। পশ্চিম বৰাগাঁৱত নিৰ্মিত ছহিদ স্মাৰক ক্ষেত্ৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ স্মৃতি সংৰক্ষণৰ

লক্ষ্যৰে বৰাগাঁৱত এই ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰেক্ষাগৃহ, প্ৰাৰ্থনা গৃহ, চাইকেল ট্ৰেক আদিৰ উপৰি অসম আন্দোলন তথা ৰাজ্যখনৰ বুৰঞ্জীৰ বিভিন্ন ঘটনা প্ৰবাহক সামৰি শব্দ আৰু পোহৰৰ বিশেষ প্ৰদৰ্শনীৰো ব্যৱস্থা থাকিব।

০০০০০০

অহা ১৩ ডিচেম্বৰত দেশজুৰি হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ ভিন্ন প্ৰান্ততো লোক আদালতৰ বাবে প্ৰস্তুতি চলিছে। লখিমপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত লখিমপুৰ জিলা আৰু ঢকুৱাখনা মহকুমা আদালতত ১৩ ডিচেম্বৰত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। লখিমপুৰ আইন সেৱা প্ৰাধিকৰণৰ সচিবে বিভিন্ন ধৰণৰ গোচৰ যেনে বিত্তীয় লেন-দেন সংক্ৰান্তিয় গোচৰ, শ্ৰম বিবাদ, বেংকৰ ঋণ অনাদায়, বিদ্যুৎ, পানী যোগানৰ বিল সংক্ৰান্তীয় গোচৰ মীমাংসা যোগে হ'বলগীয়া ফৌজদাৰী আৰু দেৱানী গোচৰ আৰু অন্যান্য গোচৰৰ বিবাদৰ সৈতে জড়িতসকলক দিনৰ ১০ বজাত ন্যায়িক আৰু মহকুমাৰ ন্যায়িক আদালতত উপস্থিত থাকিবলৈ অনুৰোধ জনাইছে।

একেদৰে নগাঁও জিলা আদালত প্ৰাংগণতো ১৩ ডিচেম্বৰত দিনৰ ১০ বজাৰ পৰা নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ অধীনত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে।

০০০০০০

আলহী দল দক্ষিণ আফ্ৰিকাক শেহতীয়া এদিনীয়া শৃংখলাত পৰাজিত কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে আজি কটকৰ বাৰাবতী ষ্টেডিয়ামত দলটোৰ বিৰুদ্ধে  পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্য কুমাৰ যাদৱে নেতৃত্ব দিবলগীয়া খেলখনত হাৰ্ডিক পাণ্ড্যিয়া আৰু শুভমন গিলেও অংশগ্ৰহণ কৰিব বুলি যাদৱে নিশ্চিত কৰিছে। বি চি চি আইয়ে মুকলি কৰা এটা ভিডিঅ'যোগে উপ-অধিনায়ক শুভমন গিলে প্ৰয়োজনীয় চিকিৎসাৰ অন্তত সুস্থ হৈ উঠা বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। এই শৃংখলাৰ পৰৱৰ্তী খেলখন অহা বৃহস্পতিবাৰে চণ্ডীগড়ৰ মুল্লানপুৰত, তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অন্তিম খেলখন অনুষ্ঠিত হ'ব।

০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কল্পনা ডেকাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ কামৰূপ মহানগৰৰ সংবাদদাতা হেমন্ত বৰাই। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০

## NPR/RNU (09-12-2025) MRN.

ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ক লৈ হোৱা আলোচনাত সংসদত সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতি, ৰাজ্যৰ জলসিঞ্চন বিভাগত ভয়ংকৰ কেলেংকাৰী, কেবিনেটৰ সিদ্ধান্ত গ্ৰহণৰ পাছতো অসমীয়া ভাষা অৱহেলিত হৈ থকা, গুৱাহাটীত আন্তঃৰাষ্ট্ৰীয় শিল্পী প'ষ্ট মেলনৰ সংগীতানুষ্ঠানকে ধৰি কেইবাটাও বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

ৰাজ্যৰ জলসিঞ্চন বিভাগত কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ তুলি **অসমীয়া প্ৰতিদিন** কাকতে ‘মন্ত্ৰী সিংহলৰ জলসিঞ্চনত ভয়ংকৰ কেলেংকাৰী, ৪৫০ কোটিৰ পাম্পছেটৰ ৯০% বিকল’ শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ পূৰ্ণ হোৱা উপলক্ষে কালি লোকসভাত হোৱা আলোচনাকালত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱাৰ বাতৰিটো আজি প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে বাতৰিটোৰ ‘লোকসভাত দেশৰ প্ৰথম প্ৰধানমন্ত্ৰীক তীক্ষ্ণ আক্ৰমণ মোদীক, বন্দে মাতৰমৰ স্তৱক কৰ্তনেৰে ভাৰত বিভাজনৰ বীজ ৰুইছিল নেহৰুৱে’, **দৈনিক অগ্ৰদূত** কাকতে ‘ৰাষ্ট্ৰগীতৰ ডেৰশ বৰ্ষপূৰ্তিত লোকসভাত আলোচনা, কংগ্ৰেছক আক্ৰমণ মোদীৰ’, ৰাজনৈতিক যুঁজৰ আহিলা বন্দে মাতৰম’ আৰু **দা ছেণ্টিনেল** কাকতে বাতৰিটোৰ ‘VANDE MATARAM IS A MODERN AVATAR OF OUR CULTURAL LEGACY’ শিৰোনাম দিছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ছয় শতাধিক প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰাৰ এটা বাতৰি **দৈনিক অসম**কে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতে ‘মুখ্যমন্ত্ৰীৰ ঘোষণা, ৰাজ্যপালৰ জাননীক অৱজ্ঞা চৰকাৰী বিভাগৰ - কেবিনেট সিদ্ধান্তৰ পাছতো অৱহেলিত অসমীয়া ভাষা’ শিৰোনামেৰে এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ১ জানুৱাৰীৰ পৰা ৰাজ্যত নতুন আঁচনি প্ৰৱৰ্তনৰ ঘোষণা কৰা এটা বাতৰিক **দৈনিক জনমভূমি** কাকতে ‘১ জানুৱাৰীৰ পৰা নিযুত মইনা সদৃশ নতুন আঁচনি আৰম্ভ হ’ব, ২০৩০-ত ৰাজ্যত পাঁচ হাজাৰলৈ বৃদ্ধি পাব মেডিকেল শিক্ষাৰ আসন’ আৰু **দি আছাম ট্ৰিবিউন** কাকতে ‘NEW SCHEME FOR BOYS FROM JAN 1 : CM’ শিৰোনামেৰে প্ৰকাশ কৰিছে।

গুৱাহাটীত বিশ্বখ্যাত ৰকষ্টাৰ প’ষ্ট মেলনৰ সংগীতানুষ্ঠান সফলতাৰে অনুষ্ঠিত হোৱাৰ বাতৰি এটা **অসমীয়া খবৰ**কে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত